19

20

21

22

23

ঈশ্বৰে জানে, আমি বেয়া কামবোৰ কৰিলো,
যাক তেওঁ পাপ বুলি আখ্যা দিয়ে। পাপৰ বেচ হৈছে মৃত্যু।


**ঈশ্বৰে আমাক *ইমান* প্ৰেম কৰে যে,** আমাৰ পাপৰ বেচ ক্ৰুচত মৃত্যু বৰণ কৰিবলৈ তেওঁ নিজৰ পুত্ৰক পঠাই দিছিল। **যীচু জীৱিত হৈ** স্বৰ্গলৈ উভতি গল এতিয়া ঈশ্বৰে আমাক পাপ ক্ষমা কৰি দিব পাৰে।

তুমি যদি তোমাৰ পাপবোৰলৈ পিঠি দিব বিচৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰেমময় ঈশ্বৰ, মই বিশ্বাস কৰো যে, যীচুৱে মোৰ কাৰণে মৃত্যুবৰণ কৰিলে আৰু এতিয়া তেওঁ জীৱিত। অনুগ্ৰহ কৰি মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰি দিয়ক, যাতে মই এতিয়া এক নতুন জীৱন পাব পাৰো, আৰু আপোনাৰ লগত চিৰকাল থাকিব পাৰো। আপোনাৰ সন্তান হিচাপে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন। যোহন ৩:১৬ পদ।

**বাইবেলখন পঢ়িবা আৰু** প্ৰতিদিনেই **ঈশ্বৰৰ লগত কথোপকথন কৰিবা!**

অসমীয়া Assamese

# স্বৰ্গ ঈশ্বৰৰ মনোৰম ঘৰ




লখিছি: Edward Hughes
ব্যাখ্যা কৰছি: Lazarus
Alastair Paterson

গ্ৰহণ কৰছি: Sarah S.
অনুবাদ কৰছি:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.


কাহনিী 60 ৰ 60


**M1914.org**

**Bible for Children, PO Box 3, Winnipeg MB  R3C 2G1  Canada**



অনুমতি: এই কাহনিীটো নকল বা ছপা কৰা অধকিাৰ
আপোনাৰ আছে, কনি্তু ইয়াক বকি্ৰী নকৰবি।


যেতিয়া যীচু এই পৃথিৱীত নিবাস কৰিছিল তেতিয়া তেওঁৰ শিষ্যসকলক স্বৰ্গৰ বিষয়ে কৈছিল। তেওঁ তাক “মোৰ পিতৃৰ ঘৰ” কৈছিল, আৰু কৈছিল যে, তাত অনেক অট্টালিকা আছে। অট্টালিকা হৈছে অতি বৃহৎ, মনোৰম ঘৰ। পৃথিৱীত থকা ঘৰবোৰতকৈ স্বৰ্গ অতি বৃহৎ আৰু মনোৰম।



1

যীচুৱে কৈছিল, “মই তোমালোকলৈ ঠাই যুগুত কৰিবলৈ যাওঁ, আৰু মই তোমালোকলৈ যদি ঠাই যুগুত কৰোগৈ, ... মই আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম”। মৃত্যুৰ পৰা জীৱিত হৈ ওঠাৰ পিছত যীচু স্বৰ্গলৈ গ’ল। শিষ্যসকলে চাই থাকোতে যীচুক ওপৰলৈ নিয়া হৈছিল, আৰু এচপা মেঘে তেওঁলোকৰ দৃষ্টিৰ আগৰ পৰা তেওঁক গ্ৰহণ কৰিলে।




2

যীচু উভতি আহি তেওঁলোকক লৈ যোৱা যি প্ৰতিজ্ঞা সেই প্ৰতিজ্ঞাক খ্ৰীষ্টিয়ানসকলে সুঁৱৰণ কৰে। যীচুৱে কৈছিল যে আশা নকৰা সময়ত তেঁও অকস্মাতে আহিব। কিন্তু তেওঁ উলটি অহা আগতে মৃত্যু হোৱা খ্ৰীষ্টিয়ানসকলৰ কি হ'ব? বাইবেলে কৈছে যে, তেওঁলোক পুনে পুনে যীচুৰ লগত থাকিবলৈ যাব। শৰীৰৰ পৰা অনুপস্থিত হোৱাই প্ৰভুৰ লগত উপস্থিত হোৱাকে বুজায়।



3

স্বৰ্গখন যে কিমান মনোৰম এই বিষয়ে বাইবেলৰ শেষ পুস্তক প্ৰকাশিতবাক্যই কয়। আশ্চৰ্য্যজনক বিষয়টো হৈছে যে, অতি বিশেষধৰণে স্বৰ্গ হৈছে ঈশ্বৰৰ ঘৰ। ঈশ্বৰ সকলোতে চিৰবিৰাজমান, কিন্তু তেওঁৰ সিংহাসন আছে।



4

স্বৰ্গদূত আৰু আন স্বৰ্গনিবাসীসকলে স্বৰ্গত ঈশ্বৰৰ সেৱা আৰাধনা কৰে। মৃত্যুৰ দ্বাৰাই স্বৰ্গলৈ যোৱা ঈশ্বৰৰ লোকসকলেও সেই একেদৰে কৰে। তেওঁলোকে ঈশ্বৰলৈ বিশেষ স্তুতি প্ৰশংসাৰ গীত-গান কৰে।




5

এতিয়া তেওঁলোকৰ গীতগান কৰা গীতৰ কেইটিমান শব্দ: **তুমিহে যোগ্য; কিয়নো তুমি হ'ত হ'লা, আৰু সকলো ফৈদ, ভাষা ৰাজ্য আৰু জাতিবিলাকৰ মাজৰ পৰা ঈশ্বৰৰ উদ্দেশ্যে প্ৰজাসমূহক নিজৰ তেজেৰে কিনিলা, আমাৰ ঈশ্বৰৰ উদ্দেশ্যে তেওঁবিলাকক ৰাজ্যস্বৰূপ আৰু পুৰোহিত পাতিলা।** (প্ৰকাশিতবাক্য ৫:৯ – ১০ পদ)।



6

বাইবেলৰ শেষৰ পৃষ্ঠা কেইখনে স্বৰ্গক **"নতুন যিৰূচালেম"** বুলি বৰ্ণনা কৰিছে। ই অতি বৃহৎ আৰু বাহিৰৰ ফালে সুউচ্চ দেৱাল আছে। দেৱালবোৰ সূৰ্য্যকান্ত মণিৰ, নিৰ্ম্মাল আৰ্চীৰ দৰে, গড়বোৰৰ ভিত্তিমূলবোৰ আটাইবিধ বহুমূলীয়া মণিৰে বিভূষিত, আৰু বিভিন্ন ৰঙেৰে জকমকাই থকা। নগৰখনৰ প্ৰতিটো দুৱাৰ এটা ডাঙৰ মুকুতাৰে সজা!




7

মুকুতাৰে সজ্জিত সেই দুৱাৰবোৰ কেতিয়াও বন্ধ নহয়। ভিতৰলৈ প্ৰবেশ কৰি চাৰিওফালে নিৰীক্ষণ কৰো আহাঁ... আহ! স্বৰ্গখন ভিতৰত আৰু অধিক মনোৰম। নগৰখন বিশুদ্ধ সোণেৰে সজা, আৰ্চীৰ দৰে নিৰ্ম্মাণ আনকি আলিবোৰো সোণেৰে সজা।




8

ঈশ্বৰৰ সিংহাসনৰ পৰা এই অতি মনোৰম নিৰ্ম্মাল নদীৰ জীৱন জলৰ পানী বৈ থাকে। নৈ খনৰ আনফালে জীৱন বৃক্ষ আছে, যি বৃক্ষ প্ৰথমে এদন বাৰীত পোৱা গৈছিল। এই বৃক্ষ বিশেষত্বপূৰ্ণ, ইয়াত বাৰবিধ বিভিন্ন ধৰণৰ ফল উৎপন্ন হয়, প্ৰতিমাহে এবিধ বেলেগ ফল। জীৱন বৃক্ষৰ পাতবোৰ হৈছে জাতিবোৰৰ সুস্থতাৰ কাৰণে।




9

পোহৰৰ কাৰণে স্বৰ্গত সূৰ্য্য বা চন্দ্ৰৰ প্ৰয়োজন নাই। ঈশ্বৰৰ গৌৰৱে এক অপূৰ্ব্ব পোহৰেৰে গোটেইখন আলোকিত কৰে। তাত কেতিয়াও ৰাতি নহয়।



10

স্বৰ্গত থকা জন্তুবোৰ বেলেগ ধৰণৰ। সকলোবোৰ জন্তু শান্ত আৰু বন্ধুত্বৰে পূৰ্ণ। ৰাংকুকুৰ আৰু মেৰবিলাকে একেলগে ঘাঁহ খায়, আনকি ডাঙৰ ডাঙৰ সিংহবোৰেও বলদৰ দৰে ধান খেৰ খায়। প্ৰভুৱে কৈছে: "মোৰ পবিত্ৰ পৰ্ব্বতত সিহঁতে আঘাত বা ধ্বংস নকৰিব"।



11

চাৰিওদিশে লক্ষ্য কৰোতে, আমি দেখিবলৈ পাওঁ যে স্বৰ্গত কিছুমান বস্তু নাই। খঙেৰে পূৰ্ণ শব্দ কেতিয়াও শুনা নাযায়। কোনেও কাজিয়া কৰা নাই বা স্বাৰ্থপৰ হোৱা নাই। দুৱাৰবোৰত তলা লগোৱা নাই, কিয়নো স্বৰ্গত কোনো চোৰ নাই। তাত মিছলীয়া, নৰবধী, যাদুকৰ, বা আন কোনো দুষ্ট লোক নাই। স্বৰ্গত কোনো ধৰণৰ পাপ নাই।



12

স্বৰ্গত ঈশ্বৰৰ লগত চকুলো নাই। কেতিয়াৱা এই জীৱনত লাভ কৰা দুখ বেদনাৰ কাৰণে ঈশ্বৰৰ লোকসকলে ক্ৰন্দন কৰে। স্বৰ্গত, ঈশ্বৰে আটাই চকুলো মচি পেলাব।



13

স্বৰ্গত আনকি মৃত্যুও নাই। ঈশ্বৰৰ লোকবিলাক চিৰদিন প্ৰভুৰ লগত থাকিব। দুখ, শোক আৰু নাথাকিব, ক্ৰন্দন আৰু নাথাকিব, কষ্ট আৰু বেদনাও আৰু নাথাকিব, ৰোগ নাথাকিব, বিদায় বেলা নাথাকিব, সমাধিস্থ কৰা নহ'ব। ঈশ্বৰৰ সহিত স্বৰ্গত সকলোৱে চিৰদিন সুখী হৈ থাকিব।



14


আটাইতকৈ উত্তম কথাটো হৈছে, স্বৰ্গখন ল'ৰা-ছোৱালীসকলৰ কাৰণে (আৰু জেষ্ঠ্যজনৰ কাৰণেও), যিসকলে যীচু খ্ৰীষ্টক তেওঁলোকৰ ত্ৰাণকৰ্ত্তা বুলি বিশ্বাস কৰিছে। আৰু তেওঁলোকৰ প্ৰভু স্বৰূপে তেওঁৰ বাধ্য হৈছে। স্বৰ্গত মেৰ পোৱালিৰ জীৱন পুস্তক বুলি এখন পুস্তক আছে। ই লোকসমূহৰ নামেৰে ভৰি আছে। তাত কাৰ, কাৰ নাম লিখা আছে তাক তোমালোকে জানা নে? সেই সকলোৰে নাম যি সকলে যীচুত বিশ্বাস কৰিলে।

তোমাৰ নাম তাত আছে নে?



15

বাইবেলত স্বৰ্গৰ বিষয়ে থকা শেষৰ শব্দবোৰ অতি সুন্দৰ আহবান। "আত্মা আৰু কন্যাই কয়, আঁহা; আৰু যি জনৰ পিয়াহ লাগে, তেওঁ আহক; যিজনে ইচ্ছা কৰে, তেওঁ বিনামূল্যে জীৱন জল গ্ৰহণ কৰক"।



16

স্বৰ্গ ঈশ্বৰৰ মনোৰম ঘৰ

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

যোহন ১৪, ২য় কৰিন্থীয়া ৫,
প্ৰকাশিতবাক্য ৪, ২১, ২২ অধ্যায়।

"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ

17

18